**3 (Sem–6) ASM M 3**

# 2015

## ASSAMESE

## ( Major )

Paper : 6.3

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ দিয়া : ১×৭=৭

(ক) অসমীয়া কাব্যসাহিত্যত নৱন্যাস চেতনা কোনগৰাকী কবিৰ কবিতাত পোনপ্ৰথমে প্ৰকাশ পাইছিল ?

(খ) 'কায়াকল্প' উপন্যাসখনিৰ লেখকগৰাকী কোন ?

(গ) বাংলা গল্পসাহিত্যৰ বিকাশৰ প্ৰাৰম্ভিক স্তৰত কোনখন আলোচনীয়ে অৰিহণা যোগাইছিল ?

(ঘ) 'পদ্মানদীৰ মাঝি' উপন্যাসখনিত সমাজৰ কোন শ্ৰেণীৰ মানুহৰ জীৱন-চেতনাৰ প্ৰকাশ ঘটিছে ?

(ঙ) ৰবীন্দ্ৰনাথ ঠাকুৰৰ প্ৰভাৱপুষ্ট এগৰাকী অসমীয়া ভাষাৰ লেখকৰ নাম লিখা।

(চ) বাংলা সাহিত্যত অমিত্ৰাক্ষৰ ছন্দৰ প্ৰচলন কোনে কৰে?

(ছ) মাধৱৰ ঘৈনীয়েকৰ কেনেকৈ মৃত্যু হৈছিল?

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) মালা কোন আছিল? তেওঁৰ স্বামীৰ নাম কি আছিল?

(খ) 'পদ্মানদীৰ মাঝি' উপন্যাসখনিৰ সমগোত্ৰীয় অসমীয়া ভাষাৰ উপন্যাসখনিৰ নাম কি আৰু ঔপন্যাসিকগৰাকী কোন, লিখা।

(গ) হিন্দী ছায়াবাদ যুগৰ প্ৰসিদ্ধ গল্পকাৰ এগৰাকীৰ নাম আৰু তেওঁৰ ৰচিত গল্পপুথি এখনৰ নাম লিখা।

(ঘ) 'কফন' গল্পৰ পিতা-পুত্ৰ চৰিত্ৰ দুটাৰ নাম কি?

৩। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) ভাৰতীয় সাহিত্যৰ মূল বৈশিষ্ট্যসমূহ কি কি, আলোচনা কৰা।

(খ) 'কফন' গল্পটিৰ মুখ্য চৰিত্ৰটি বিশ্লেষণ কৰা।

(গ) 'ময়লা আঁচল' উপন্যাসত প্ৰকাশ পোৱা গ্ৰাম্য-জীৱন সম্পৰ্কত চমুকৈ আলোকপাত কৰা।

(ঘ) "সে কী কৰে হবে; ব্যাপাৰটা যে কী কী কাৰণে অসম্ভৱ তাহা বালিকাকে বুঝানো আৱশ্যক বোধ কৰিলেন না।" কি কাৰণে আৰু কোনে বালিকাক বিষয়টো বুজাই দিয়াৰ আৱশ্যকতা বোধ নকৰিলে, ব্যাখ্যা কৰা।

(ঙ) 'কালিচৰণ'ৰ কাৰ্যাৱলী বৰ্ণনা কৰা।



৪। যি কোনো **তিনিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৩=৩০

(ক) বাংলা গল্পসাহিত্যলৈ ৰবীন্দ্ৰনাথ ঠাকুৰৰ অৱদান সম্পৰ্কে আলোচনা কৰা।

(খ) আঞ্চলিক উপন্যাসৰ বিশেষত্ব 'পদ্মানদীৰ মাঝি' উপন্যাসখনিত কেনেদৰে প্ৰতিফলিত হৈছে, বিচাৰ কৰা।

(গ) 'কফন' গল্পটিৰ মাজেৰে লেখক প্ৰেমচান্দে কি বাৰ্তা প্ৰচাৰ কৰিব বিচাৰিছে, আলোচনা কৰা।

(ঘ) পোষ্ট মাষ্টৰ চৰিত্ৰটিৰ মাজেৰে গল্পটিত মধ্যবিত্তৰ পলায়নবাদী মনোভাৱ কেনেদৰে প্ৰকাশিত হৈছে, বৰ্ণনা কৰা।

(ঙ) 'ময়লা আঁচল' উপন্যাসখনিত জন-চেতনাৰ স্বৰূপ কেনেদৰে প্ৰকাশ পাইছে, পৰ্যালোচনা কৰা।

(চ) ঔপন্যাসিক হিচাপে মাণিক বন্দ্যোপাধ্যায়ৰ গুৰুত্ব আলোচনা কৰা।

☆ ☆ ☆